**ইৰাণ সম্পৰ্কীয় চৰকাৰী মুখপাত্ৰৰ বিবৃতি**

এপ্ৰিল 18, 2026

আজি সন্ধিয়া বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে নতুন দিল্লীত অৱস্থিত ইছলামিক ৰিপাব্লিক অব্ ইৰানৰ ৰাষ্ট্ৰদূতক বৈদেশিক সচিবৰ সৈতে এক বৈঠকত মিলিত হ'বলৈ তলব কৰে। বৈঠককালত, আজি পুৱাৰ ভাগত হৰমুজ প্ৰণালীত দুখন ভাৰতীয় পতাকাযুক্ত জাহাজৰ সৈতে সংঘটিত গুলীবৰ্ষণৰ ঘটনাক লৈ বৈদেশিক সচিবগৰাকীয়ে ভাৰতৰ গভীৰ উদ্বেগ প্ৰকাশ কৰে। বৈদেশিক সচিবগৰাকীয়ে উল্লেখ কৰে যে ভাৰতে বাণিজ্যিক জাহাজ আৰু নাবিকসকলৰ সুৰক্ষাক বিশেষ গুৰুত্ব প্ৰদান কৰে। লগতে তেওঁ সোঁৱৰাই দিয়ে যে ইৰানে ইয়াৰ পূৰ্বেও ভাৰতমুখী কেইবাখনো জাহাজৰ সুৰক্ষিত যাত্ৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াইছিল। বাণিজ্যিক জাহাজৰ ওপৰত হোৱা এই গুলীবৰ্ষণৰ গুৰুতৰ ঘটনাক লৈ পুনৰ উদ্বেগ প্ৰকাশ কৰি বৈদেশিক সচিবগৰাকীয়ে ৰাষ্ট্ৰদূতজনক ভাৰতৰ এই মত ইৰানৰ কৰ্তৃপক্ষক অৱগত কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ লগতে হৰমুজ প্ৰণালীৰে ভাৰতমুখী জাহাজসমূহৰ সুৰক্ষিত যাত্ৰাৰ প্ৰক্ৰিয়াটো অতি সোনকালে পুনৰ আৰম্ভ কৰিবলৈও তেওঁ আহ্বান জনায়।

2. ইৰাণৰ ৰাষ্ট্ৰদূতগৰাকীয়ে ভাৰতৰ এই দৃষ্টিভংগী ইৰাণৰ কৰ্তৃপক্ষক অৱগত কৰাৰ দায়িত্ব গ্ৰহণ কৰে।

নতুন দিল্লী

এপ্ৰিল 18, 2026